## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ দ্বিতীয় বিষয় ঃ ভাষা-১ (অসমীয়া) চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ শব্দ, বাক্য চাই চাই আৰু নোচোৱাকৈ লিখিব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) ডাক-ঘৰ | - | পাঠ নং ১৩ |
| খ) ঋতু আহে ঋতু যায় | - | পাঠ নং ১৪ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

বিভিন্ন তথ্য পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে, লিখন কৌশল আহৰণত প্ৰাথমিক বিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে। দ্বিতীয় শ্ৰেণীৰ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বৰ্ণমালা আৰু যুক্তাক্ষৰ চিনি নাপায়, শুদ্ধকৈ লিখিব নোৱাৰে আৰু সৰু সৰু বাক্য পঢ়িব আৰু লগতে লিখিব নোৱাৰে। লিখন হৈছে মাতৃভাষা শিক্ষাদানৰ আটাইকেইটা কৌশলৰ ভিতৰত অন্যতম প্ৰধান কৌশল। এই লিখন কৌশল আয়ত্তকৰণৰ ক্ষেত্ৰত বাধা দিয়া ধূসৰ ক্ষেত্ৰসমূহ চিনি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ ডক্ত দিশসমূহৰ বিকাশৰ বাবে বিশেষ যত্ন লোৱাৰ প্ৰয়োজন আহি পৰিছে। ইয়াৰ বাবে যথেষ্ট অনুশীলনৰ আৱশ্যক। পাঠ্যপুথিত উল্লেখ থকা অনুশীলনী বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে নিজে কিছুমান লিখন কাৰ্য ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰোঁ, যাৰ ফলত তেওঁলোকে বহু পৰিমানে শিকাৰ সুযোগ পাব। ছাত্ৰ-ছাত্ৰীৰ প্ৰণালীবদ্ধ লিখন কৌশল আয়ত্তকৰণত সহায়ক হ’ব পৰাকৈ আমি শিক্ষকসকলে কৰিব পৰা শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপেৰে এই গোটটো প্ৰস্তুত কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ যি কোনো এটা বিষয় শিকিবলৈ হ’লে পঠন আৰু লিখন দক্ষতাৰ আহৰণ অতি প্ৰয়োজনীয়। লিখনত থকা দুৰ্বলতাসমূহ আঁতৰাবলৈ প্ৰয়োজনীয় ক্ৰিয়া-কলাপ আৰু অনুশীলন কৰিব লাগিব।

⇨ বৰ্ণ, যুক্তাক্ষৰসমূহ সঠিক আকৃতিৰে লিখি শব্দ গঠন কৰাৰ কৌশল আৰু সেই শব্দবোৰক বাক্যত প্ৰয়োগ কৰাৰ কৌশল আয়ত্ত কৰিব লাগিব।

⇨ প্ৰতিদিনেই শ্ৰেণীকোঠাত শ্ৰুতলিপি লিখনৰ জৰিয়তে শব্দ আৰু বাক্য শুদ্ধকৈ লিখিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীসকলে ছবি চাই কাহিনী লিখিবলৈ চেষ্টা কৰিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম—**

⇨ প্ৰয়োজনীয় ক্ৰিয়া-কলাপৰ সৈতে ছাত্ৰ-ছাত্ৰীক জড়িত কৰিব পাৰিম।

⇨ লিখনৰ আগ্ৰহ জন্মাবলৈ অনুকুল পৰিৱেশ সৃষ্টি কৰিব পাৰিম।

⇨ লিখাৰ কৌশল আয়ত্তকৰণৰ বাবে বিভিন্ন সামগ্ৰীৰ অনুসন্ধান আৰু প্ৰস্তুতকৰণৰ সুযোগ লাভ কৰিব পাৰিম।

- ➩ শিকনীয় বিষয়ৰ লগত ক্ৰিয়া-কলাপৰ সম্পৰ্ক সাধন কৰিব পাৰিম।
- ➩ দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলকো হাতে কামে ক্ৰিয়া-কলাপ কৰাই শিকাৰ প্ৰতি আগ্ৰহ জন্মাব পাৰিম।
- ➩ ছাত্ৰ-ছাত্ৰীৰ অবিৰত মূল্যায়নৰ লগতে শিক্ষকৰ স্ব-মূল্যায়ন আৰু নতুন নতুন চিন্তাৰে ক্ৰিয়া-কলাপৰ যোগেদি শ্ৰেণী কোঠাসমূহ গতিশীল কৰিব পাৰিম।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

- ➩ এই সমল সামগ্ৰী অধ্যয়ন কৰি আমি স্বতন্ত্ৰ লিখন কৌশল বিকাশৰ বাবে উপযুক্ত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব পাৰিম।
- ➩ ক্ৰিয়া-কলাপ অনুশীলনৰ পৰিকল্পনা কৰিব পাৰিম।
- ➩ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰিম।
- ➩ ভাল হাতৰ আখৰৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা অনুধাৱন কৰিব পাৰিম।

এই সমল সামগ্ৰীৰ ১৩ নং আৰু ১৪ নং পাঠত থকা ক্ৰিয়া-কলাপৰ উপৰি শিক্ষকৰ সহায় হ'ব পৰাকৈ সন্নিৱিষ্ট কৰা অতিৰিক্ত ক্ৰিয়া-কলাপে শিক্ষণ-শিকন প্ৰক্ৰিয়াক বেছি ফলপ্ৰসূ কৰিব পৰাকৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব পাৰি।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

**মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া)**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ক) ছবি চাই কোৱা আৰু লিখা। | ⇨ ছবি কাৰ্ড<br>⇨ ছবি চাৰ্ট | ক্ৰিয়া-কলাপ | ১) তলৰ ছবি কেইখন চাই একোটাকৈ বাক্য লিখা।<br>ডাক-বাকচ, চিঠিৰ টোপোলা, এনভেলপ লগতে পৃষ্ঠা নং ১১৭ (অংকুৰণ, দ্বিতীয় ভাগ) চাব। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| খ) নিজাববীয়াকৈ লিখিব পৰা। | ⇨ বহী | স্ব-লিখন | ক) চ'ত-বহাগত কোনটো ঋতু হয়?<br>খ) বৰ্ষা ঋতু কি মাহত হয়?<br>গ) আহিন-কাতিত কোনটো ঋতু হয়?<br>ঘ) পদ্মকায়ে কি লৈ আহে?<br>ঙ) চিঠি-পঠিয়াবলৈ হ'লে ঠিকনা লিখি আৰু কি লগাব লাগে? | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

দ্বিতীয় শ্ৰেণীৰ (অসমীয়া ভাষাৰ) শিক্ষয়িত্ৰী হিচাপে ৰীণা দেৱীয়ে বুজি পাইছে যে, আখৰ বা বৰ্ণ চিনি নোপোৱা আৰু একেবাৰে লিখিব নোৱাৰাকৈয়ে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী প্ৰথম শ্ৰেণীৰ পৰা দ্বিতীয় শ্ৰেণীলৈ উত্তীৰ্ণ হৈ আহে। তেনেকুৱা ল'ৰা-ছোৱালীক লিখিবলৈ শিকোৱাটো বৰ কঠিন হৈ পৰে।

তথাপিও তেখেতে দ্বিতীয় সাময়িকীত ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ক্ৰিয়া-কলাপত জড়িত কৰি বৰ্ণ, শব্দ আদি পঢ়িবলৈ আৰু লিখিবলৈ শিকালে আৰু তাৰ পৰৱৰ্তী সময়তো তেখেতে কেনেধৰণৰ ক্ৰিয়া-কলাপত জড়িত কৰি ছাত্ৰ-ছাত্ৰীসকলক শব্দ, বাক্য চাই চাই আৰু নোচোৱাকৈ লিখিবলৈ শিকোৱাৰ চিন্তা কৰিলে চাওঁ আহক —

ছাত্ৰ-ছাত্ৰীসকলে লিখন কাৰ্যটো আটাইতকৈ টান পায়। সেয়ে ৰীণা দেৱীয়ে তেওঁৰ বন্ধু এজনৰ পৰা পোৱা এখন পোষ্ট কাৰ্ড শ্ৰেণীকোঠালৈ লৈ গৈ ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাইছিল। ছাত্ৰ-ছাত্ৰীসকলে পোষ্ট কাৰ্ডৰ সন্মুখফালে থকা টিকট আৰু ঠিকনা আৰু পাছফালে তেওঁলৈ লিখা কাৰ্ডখন দেখি খুব আনন্দিত হোৱা দেখা গৈছিল। সেয়ে তেখেতে পোষ্ট কাৰ্ডখনৰ জৰিয়তে শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপ কৰি ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰি কেনেদৰে আগ্ৰহ জন্মাবলৈ চেষ্টা কৰিছিল চাওঁ আহক —

**প্ৰস্তুতি ঃ**

**সামগ্ৰী ঃ** চাৰ্ট পেপাৰ, ৰং পেঞ্চিল, স্কেল

- ৰীণা দেৱীয়ে ছাত্ৰ-ছাত্ৰীয়ে ক্ৰিয়া-কলাপত ব্যৱহাৰ কৰিব পৰাকৈ আগতীয়াকৈ আনি থোৱা চাৰ্ট পেপাৰ সমকোণী চতুৰ্ভূজৰ আকাৰত কাটি উলিয়ালে।
- এইদৰে আটাইবোৰ প্ৰস্তুতিৰ পিচত ৰীণা দেৱীয়ে কেনেধৰণৰ ক্ৰিয়া-কলাপৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ লিখন দূৰ্বলতা আঁতৰাই সাৱলীলভাৱে লিখিবলৈ উৎসাহিত কৰিলে ।

**ক্ৰিয়া-কলাপ ঃ**

- ৰীণা দেৱীয়ে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে কাটি থোৱা সমকোণী চতুৰ্ভূজ আকাৰৰ কাগজ একোখনকৈ দিছিল। তেখেতে কাৰ্ডখনৰ এফালে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ ইচ্ছা অনুসৰি একোটা ছবি আঁকিবলৈ দিছিল।
- ছাত্ৰ-ছাত্ৰীসকলৰ ছবিখন অঁকা শেষ হোৱাৰ পিচত কাৰ্ডখন ওলোটাই লৈ দুটা ভাগত ভাগ কৰিবলৈ দিছিল। সোঁফালে তেওঁলোকৰ ঘৰৰ ঠিকনা (নোৱাৰিলে তেখেতে সহায় কৰি দিছিল) লিখিবলৈ কৈছিল। (বেছিভাগকেই তেখেতে লিখি দিছিল)
- ৰীণা দেৱীয়ে পোষ্টকাৰ্ডত লগাবলৈ আগতীয়াকৈ টিকট আনি ৰাখিছিল। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে এজন এজনকৈ মাতি পোষ্টকাৰ্ডৰ ওপৰত সোঁফালে টিকট প্ৰয়োজন সাপেক্ষে টিকট লগাবলৈ দিছিল। টিকট লগোৱাত শিক্ষকে সহায় কৰি দিছিল। আটাইবিলাকৰে লগোৱা হোৱাত বিদ্যালয়ৰ ওচৰতে থকা ডাক-বাকচৰ ওচৰলৈ লৈ গৈছিল আৰু পোষ্টকাৰ্ডখন কেনেকৈ ডাক বাকচটোত সুমুৱাব লাগে দেখুৱাই দিছিল।

***বিঃদ্ৰঃ - ৰীণা দেৱীয়ে ক্ৰিয়া-কলাপ সমূহ শ্ৰেণীকোঠাত কৰোঁতে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিছিল।***

লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি। প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ লিখন অৰ্হতা বিকাশৰ বাবে প্ৰায় প্ৰতিদিনেই আমি শিক্ষক সকলে শ্ৰুতলিপি দিব লাগে।

**চিন্তা কৰি চাওঁ আহক ঃ**

- ৰীণা দেৱীয়ে লিখন কৌশল আয়ত্ত কৰিবলৈ কৰা ক্ৰিয়া-কলাপটোৱে কিবা সহায় কৰিবনে? নে আন কিবা ক্ৰিয়া-কলাপৰ সহায় ল'ব লাগিছিল?
- ক্ৰিয়া-কলাপটোত সকলো ছাত্ৰ-ছাত্ৰীয়ে সমানে অংশগ্ৰহণ কৰাটো নিশ্চিত হ'ব পাৰিনে?
- লিখন কৌশল আয়ত্ত কৰাবলৈ আপুনি আৰু কি কি কাৰ্য কৰিব পাৰে?
- লিখা কামটো আনন্দদায়ক কৰিবলৈ আমিও ন-ন উদ্ভাৱনী চিন্তা কৰিব নোৱাৰোনে?

**সাৰাংশ ঃ**

- লিখনত থকা দুৰ্বলতাসমূহ দূৰ কৰি নিৰ্দ্দিষ্ট অৰ্হতা আয়ত্তকৰণৰ বাবে যথেষ্ট ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ দৰ্কাৰ।
- লিখাৰ প্ৰতি আগ্ৰহ জন্মাবলৈ আমি পাঠ্যপুথিৰ বাহিৰেও যে আন আন কাৰ্য, যেনে - চিঠি-পত্ৰ, পোষ্টকাৰ্ড, গ্ৰীটিংচ কাৰ্ড আদি প্ৰয়োগ কৰিওযে ক্ৰিয়া-কলাপ কৰাব পাৰোঁ তাৰো ধাৰণা পোৱা গ'ল।
- ছাত্ৰ-ছাত্ৰীক লিখনত আনন্দ দিব পৰাকৈ আমি শিক্ষকসকলে নতুন নতুন উদ্ভাৱনীমূলক ক্ৰিয়াপৰিকল্পনা কৰিব লাগিব।

**দৃঢ়ীকৰণ ঃ**

➪ তলত দিয়া ছবিবোৰৰ নাম লিখা ।








➪ উত্তৰ লিখা —

প্ৰশ্ন ঃ ডাক-ঘৰৰ সন্মুখত থকা ৰঙা বাকচটোৰ নাম কি?

প্ৰশ্ন ঃ ডাক-ঘৰৰ যোগেদি কি কি কৰিব পাৰি?

প্ৰশ্ন ঃ বয়-বস্তু, কিতাপ-পত্ৰ আদি পঠিয়াব পৰা বা আনিব পৰা কামটোক কি বোলে?

প্ৰশ্ন ঃ চ'ত-ব'হাগত কোনটো ঋতু হয়?

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

➪ শেষৰ আখৰৰ লগত প্ৰথম আখৰৰ মিল থকা শব্দ আঁচ টানি মিলোৱা —

| | |
|---|---|
| ক) ৰশ্মি | ৰহিম |
| খ) শীত | কমল |
| গ) নিয়ৰ | ল'ৰা |
| ঘ) শিক্ষক | মৰম |
| ঙ) ভাল | তপত |
| চ) গৰম | শ্মশান |

➪ তলত দিয়া বিষয় কেইটাৰ বিষয়ে দুশাৰীকৈ বাক্য লিখা।

ডাক-ঘৰ, ডাক-বাকচ, শেৱালি ফুল, মেজি।

➪ আহিন-কাতিত কোনটো ঋতু হয়?

➪ পদ্মকায়ে কি লৈ আহে?

**প্ৰসঙ্গ পুথি ঃ**

➪ পাঠ্যপুথি — অংকুৰণ (দ্বিতীয় ভাগ)

➪ অসমীয়া ব্যাকৰণ প্ৰৱেশ ঃ ড° গোলোক চন্দ্ৰ গোস্বামী।

➪ চন্দ্ৰকান্ত অভিধান।

******